# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 01-01-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

নৱবৰ্ষ উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নতুন দিনৰ আলাপ নামেৰে এটা অনুষ্ঠানৰ আয়োজন কৰে। ইয়াত ৰাজ্যখনৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ সম্পাদকৰ সৈতে মুখ্যমন্ত্ৰীয়ে মুকলি বাৰ্তালাপত ভাগ লয়। এই অনুষ্ঠানত উপস্থিত থকা আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে জনোৱা মতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই অনুষ্ঠানত ২০২৪ বৰ্ষত তেওঁৰ চৰকাৰখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ খতিয়ান দাঙি ধৰে। তেওঁ কয়, যে ৰাজ্যখনক সেউজীয়া ইন্ধনযুক্ত ৰাজহুৱা পৰিবহণ খণ্ডলৈ পৰিৱৰ্তন কৰাৰ বাবে তেওঁৰ চৰকাৰে গুৱাহাটী মহানগৰীত চলাচল কৰা বাছসমূহ বৈদ্যুতিক বাছলৈ পৰিৱৰ্তন কৰাৰ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অংশ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাৰ আন্তঃৰাজ্যিক মিনি বাছ আস্থানত তেওঁ ৫৬ খন এনে বাছ ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। অচিৰেই আৰু এশ খন এনে বাছ ৰাজ্যত প্ৰৱৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ২০২৬ চনৰ ভিতৰত সেউজীয়া পৰিবহণ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত অসম দেশৰ ষষ্ঠখন ৰাজ্যৰূপে পৰিগণিত হ'ব বুলি ড০ শৰ্মাই মন্তব্য কৰে। সাম্প্ৰতিক ভূটান ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ভূটানৰ জলশক্তি ব্যৱহাৰ কৰি ১২০ কিলোৱাট ক্ষমতাসম্পন্ন দুটা জলবিদ্যুৎ প্ৰকল্প অসম চৰকাৰে নিৰ্মাণ কৰাত দেশখনৰ চৰকাৰে অনুমোদন দিছে। অসম শক্তি বিতৰণ নিগমে চলিত বিত্তীয় বছৰত ৬০ কোটি টকা লাভ অৰ্জন কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই লাভৰ ধন পৰ্যায়ক্ৰমে গ্ৰাহকসকলক ঘূৰাই দিয়াৰ বাবে ৰাজ্যখনত বিদ্যুতৰ মাচুল প্ৰতি ইউনিটত অহা এপ্ৰিল মাহৰ পৰা ডেৰ টকাকৈ আৰু পাছত আৰু এটকাকৈ হ্ৰাস কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে। ৰাজ্য চৰকাৰে অতিৰিক্ত ঋণ লৈছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই কয়, যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন সমানুপাতিক হিচাপেহে ৰাজ্য চৰকাৰে ঋণ লৈছে। ২০১৪ চনলৈকে থকা অসম চৰকাৰৰ ঋণ সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ ২০২১ চনৰ বৈদ্যুতিক বাহন নীতি সম্পৰ্কত থকা আঁসোৱাহ দূৰ কৰাৰ বাবে অহা দুদিনৰ ভিতৰত তেওঁ ব্যৱস্থা গ্ৰহণ কৰিব বুলি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

০০০০০

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এখন নতুন জন শতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে পৰহিলৈ ৩ জানুৱাৰীত গুৱাহাটীত এই ৰে'লগাড়ীখনৰ যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। ইয়াৰ লগতে ৰে'লমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া আৰু নাহৰলগুনৰ মাজত চলাচল কৰিবলগীয়া নতুন এক্সপ্ৰেছ ৰে'লগাড়ীখনৰো যাত্ৰাৰ শুভাৰম্ভ কৰিব। গুৱাহাটী আৰু নিউ বঙাইগাঁৱৰ মাজত চলাচল কৰিবলগীয়া যাত্ৰীবাহী ৰে'লগাড়ীখনো মন্ত্ৰীগৰাকীয়ে পতাকা জোকাৰি শুভাৰম্ভ কৰিব। একেদিনাই মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ

কৰা এখন পথ অভাৰব্ৰীজো উদ্বোধন কৰিব। ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি বিভাগৰো মন্ত্ৰী বৈষ্ণৱে সেইদিনাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাষ্ট্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ইয়াৰ পাছত তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মন্ত্ৰীগৰাকীয়ে দুপৰীয়াৰ ভাগত জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ উদ্যোগৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰিব। আবেলি তেওঁ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ শীৰ্ষ বিষয়াবৰ্গৰ সৈতে অঞ্চলটোৰ ৰে'ল যোগাযোগ ব্যৱস্থাৰ পৰ্যালোচনা কৰিব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনাপুৱাৰ ভাগতে গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখন উদ্বোধন কৰে। গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিবলগীয়া এই সেঁতুখনত দিব্যাংগসকলৰ বাবে লিফ্‌ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত ১ কোটি ২৬ লাখ টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা বৰদলৈ দেৰৰ এটা আৱক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ইয়াৰ পাছত গুৱাহাটীৰ খানাপাৰাত ১২ কোটি টকাৰে নিৰ্মাণ কৰা আন্তঃৰাজ্যিক মিনি বাছ আস্থানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইয়াৰ লগতে আজি এই অনুষ্ঠানতে তেওঁ ৫৬ খন নতুন বৈদ্যুতিক বাছৰো যাত্ৰাৰ শুভাৰম্ভ কৰে।

ooooo

কাৰ্বি আংলং জিলাৰ ডিফু ক্লাবৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। পুৱাৰ ভাগত ক্লাবৰ সভাপতি ৰবীন গোস্বামীয়ে পতাকা উত্তোলন কৰি দিয়া ভাষণত কয় যে ৭২ বছৰ গৰকা ক্লাবটোৱে জিলাখনৰ সামাজিক-সাংস্কৃতিক দিশত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। দিৱসৰ অংশ হিচাপে ডিফুৰ সমীপৰ লাংমিলি গাঁৱৰ বাসিন্দাসকলৰ মাজত ভাৱ-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। সন্ধিয়াৰ ভাগত ক্লাবৰ চৌহদত বন্তি প্ৰজ্বলন আৰু সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

ইংৰাজী নৱবৰ্ষ ২০২৫-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত নৱবৰ্ষ উদযাপনৰ উৎসাহ-উদ্দীপনাই বিৰাজ কৰে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হয়। শিৱসাগৰ জিলাতো ৰাইজে আজি ব্যাপক উৎসাহ-উদ্দীপনাৰে নৱবৰ্ষ উদযাপন কৰে। শিৱসাগৰ নগৰৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰ বাককৰি, তলাতল ঘৰ প্ৰাঙ্গন আদিৰ লগতে দিচাংমুখ দিখৌমুখৰ বনভোজথলীসমূহত ব্যাপক জনসমাগম দেখা যায়। জিলাখনৰ মন্দিৰ-মছজিদ-গীৰ্জাসমূহত নেদেখাজনৰ আশীষ ল'বলৈ পুৱাৰে পৰা বহু লোকে ভিৰ কৰে। ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গোলাঘাট, ধেমাজি আৰু লখিমপুৰ জিলাৰো বিভিন্ন মঠ-মন্দিৰ আৰু পৰ্যটনস্থলীসমূহত আজি পুৱাৰে পৰা জনসাধাৰণৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰি গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত আজি পুৱাৰেপৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। তদুপৰি শ্ৰীমন্ত

শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী তাৰকাগৃহ, বিজ্ঞান সংগ্ৰাহালয়, ৰাজ্যিক সংগ্ৰাহালয় আৰু উদ্যানসমূহতো বহু লোকে আনন্দ উপভোগ কৰা দেখা যায়। নৱবৰ্ষক আদৰাৰ বাবে ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হয়।

ooooo

সমাপ্ত